প্ৰকাশিত হোৱাৰ যোগ্য

**উচ্চতম ন্যায়ালয়, ভাৰত**

ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ

**ফৌজদাৰী আপীল নম্বৰ- ১৩৩০/২০১৮**

(এছ. এল. পি (ফৌজদাৰী) নং- ২৪৪০/২০১৮ ৰ পৰা উদ্ভৱ)

ৰীণা হাজৰিকা

--- আপীলকাৰী

-বনাম-

অসম চৰকাৰ

--- প্ৰতিবাদী

**ৰায়**

**ন্যায়াধীশ নবীন সিন্হা**

১. অনুমতি প্ৰদান কৰা হ'ল।

২. মৃতকৰ পত্নী আপীলকাৰীক ভাৰতীয় দণ্ডবিধিৰ ৩০২ ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাবাসৰ লগতে ১,০০০ (এক হাজাৰ) টকা জৰিমনা বিহা হৈছে আৰু জৰিমনা অনাদায়ে অতিৰিক্ত এক মাহৰ কাৰাবাস খটাৰ হুকুম জাৰি কৰা হৈছে।

৩. তিনি ভাতৃ ক্ৰমে মনোজ কুমাৰ ডেকা (গুচৰীয়া পক্ষৰ সাক্ষী নং-১), দ্বিপেন ডেকা (গুচৰীয়া পক্ষৰ সাক্ষী নং-২) আৰু ভৃগুমণি ডেকাৰ (গুচৰীয়া পক্ষৰ সাক্ষী নং-৩) মালিকাধীন এটি ঘৰত মৃতক, আপীলকাৰী আৰু তেওঁলোকৰ ৯ বছৰীয়া ছোৱালী পূজা হাজৰিকাই (আদালতে মতা ১নং সাক্ষী) ভাড়াতীয়া হিচাপে বসবাস কৰিছিল। আপীলকাৰীয়ে ১০.০৫.২০১৩ আৰু ১১.০৫.২০১৩ তাৰিখৰ মাজৰাতি মৃতকক মাৰপিট কৰিছিল বুলি অভিযোগ অনা হৈছে। গুচৰীয়া পক্ষৰ ১, ২ আৰু ৩ নং সাক্ষীয়ে এইদৰে সাক্ষ্য দিয়া বুলি কোৱা হৈছে যে তেওঁলোকে গণ্ডগোল শুনি তালৈ গৈ মৃতকে ক'ৰবাত পৰি মূৰত আঘাত পোৱা অৱস্থাত পায়, ইয়াৰ বাহিৰে অন্য কোনো বিসংগতি তেওঁলোকৰ পৰিলক্ষিত হোৱা নাছিল। সেই সময়ত বৰষুণ দি থকা বাবে আৰু এম্বুলেঞ্চৰ

পৰৱৰ্তী পৃষ্ঠাত

ব্যৱস্থা কৰিব নোৱাৰাৰ বাবে তেওঁলোকে মৃতকক চিকিৎসালয়লৈ নিব নোৱাৰিলে। গুচৰীয়া পক্ষৰ ৬ নং সাক্ষী ডাক্তৰ ঋতুৰাজ চলিহাই আদালতত প্ৰমাণিত কৰা মৃতকৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত মৃতকৰ দেহত তলত উল্লেখ কৰা জখমসমূহ পোৱা গৈছিল-

(১) বাওঁ গালৰ ৬ ছে.মি. “মেডিৱেল ট্ৰেগুচ” আৰু “মেণ্ডিবেল” কোণৰ ১ ছে.মি. ওপৰত এটা পেশীপৰ্যন্ত কটা যোৱা ১১ ছে.মি. x ২ ছে.মি. আকৃতিৰ জখম।

(২) “অক্সিপিটাল” এলেকাৰ পিছফালে পেশীপৰ্যন্ত কটা যোৱা ৯ ছে.মি. x ২ ছে.মি. আকৃতিৰ জখম।

(৩) কপালৰ বাওঁফালে পেশীপৰ্যন্ত কটা যোৱা ৪ ছে.মি. x ২ ছে.মি. আকৃতিৰ জখম।

(৪) বাওঁহাতৰ মণিবন্ধৰ পৃষ্ঠফালে (৫x২) ছে.মি. আকৃতিৰ ফালি যোৱা জখম।

(৫) সোঁফালৰ “টেম্প’ৰেল” এলেকাৰ পেশীপৰ্যন্ত কটা যোৱা (৪x১) ছে.মি. আকৃতিৰ জখম।

(৬) “স্কেপুলা”ৰ পিছফালে পেশীলৈকে কটা যোৱা (৬x২) ছে.মি. আকৃতিৰ জখম।

(৭) দুয়োফালৰ ‘‘টেম্প’ৰেল” হাড় ভগা।

এই আটাইবোৰ মধ্যম ওজনৰ চোকা অস্ত্ৰৰে কৰা মৃত্যুৰ পূৰ্বৰ জখম আৰু এইবোৰ মৃত্যু ঘটাব পৰা ধৰণৰ জখম।

৪. এই গোচৰত নিম্ন আদালত আৰু উচ্চ ন্যায়ালয়ে মতপোষণ কৰিছে যে গোচৰটো পৰিস্থিতি সাপেক্ষ সাক্ষ্যৰ ওপৰত প্ৰতিষ্ঠিত। অন্তিম দৰ্শন তত্ত্বইও এইটো সাব্যস্ত কৰিছে যে সেই নিশা আপীলকাৰী মৃতকৰ লগত আছিল। আপীলকাৰীয়ে নকন্দাটো আছিল তেওঁৰ অস্বাভাৱিক ব্যৱহাৰ যাৰ বাবে তেওঁক মৃতকৰ আক্ৰমণকাৰী হিচাপে গণ্য কৰা হৈছিল।

৫. আপীলকাৰীৰ অধিবক্তা মহাশয় সিংহই এইটো উপস্থাপন কৰিছিল যে ঘটনাৰ পৰিস্থিতিসমূহৰ সংযোগ থকাটো প্ৰমাণিত হোৱা বুলি নিম্ন আদালত আৰু উচ্চ ন্যায়ালয়ে ভুলকৈ বিবেচনা কৰিছিল, যিটোৱে একমাত্ৰ আপীলকাৰীকে আততায়ী হয় বুলি নিশ্চিত কৰে আৰু তেওঁৰ নিৰ্দোষিতা প্ৰমাণ কৰাৰ সম্ভাৱনীয়তা থকাটো সমূলি নস্যাৎ কৰে। গুচৰীয়া পক্ষৰ ৬নং সাক্ষীয়ে সাক্ষ্য প্ৰদান কৰি কৈছিল যে মৃতকৰ গাৰ জখমসমূহ দা-জাতীয় মধ্যম ওজনৰ চোকা অস্ত্ৰৰে কৰা হৈছিল আৰু টেম্প’ৰেল হাড় ভগাটো তেনেধৰণৰ অস্ত্ৰৰ আঘাতৰ ফলতেই হ’ব পাৰে। গুচৰীয়া পক্ষৰ ৭ নং সাক্ষী উপ-পৰিদৰ্শক নীলমণি মালাকাৰে আদালতত প্ৰমাণিত কৰা মতে ঘটনাস্থলীৰ

পৰৱৰ্তী পৃষ্ঠাত

পৰা তামোল আদি কটাত ব্যৱহাৰ কৰা ১ ফুট দৈৰ্ঘ্যৰ আগ অংশটো বেঁকা ও জোঙা এখন সাধাৰণ ছুৰী উদ্ধাৰ কৰা হৈছিল। উক্ত ছুৰীখনেৰে আঘাত কৰি মৃতকৰ জখমসমূহ কৰিব পৰা সম্ভাৱনীয়তাৰ সমৰ্থনত মতামত উলিওৱাৰ বাবে আনকি গুচৰীয়া পক্ষৰ ৬নং সাক্ষীক ছুৰীখন দেখুওৱা হোৱা নাছিল।

৬. ৰাজ্যক প্ৰতিনিধিত্ব কৰা অধিবক্তা মহাশয়া দীক্ষা ৰায়ে এই আদালতত এইদৰে যুক্তি প্ৰদৰ্শন কৰে যে আদালতৰ ১ নং সাক্ষীয়ে (চি ডব্লিউ-১) আপীলকাৰীক মৃতকৰ সৈতে ৰূমৰ ভিতৰত শেষবাৰৰ বাবে দেখা পোৱাটো নিশ্চিত কৰিছিল। আপীলকাৰীয়েও সেই নিশা কি পৰিস্থিতিত মৃতকৰ মৃত্যু হৈছিল তাৰ ব্যাখ্যা আগবঢ়াবলৈ ব্যৰ্থ হৈছিল। গুচৰীয়া পক্ষৰ ৭নং সাক্ষীয়ে আপীলকাৰীয়ে অলপো নকন্দাটো লক্ষ্য কৰিছিল যিটো আছিল আপীলকাৰীৰ অস্বাভাৱিক ব্যৱহাৰ। মৃতকক আঘাত কৰিবলৈ ব্যৱহাৰ কৰা ছুৰীৰ লগতে মৃতকৰ তেজলগা কাপোৰো উদ্ধাৰ কৰা হৈছিল।

৭. দুয়ো পক্ষই আগবঢ়োৱা পৰস্পৰৰ যুক্তিসমূহ, দুয়োখন আদালতৰ হুকুমসমূহ আৰু গোচৰৰ নথিত থকা সাক্ষী-বাদী আমি বিবেচনা কৰিলোঁ। সাধাৰণতে, সংবিধানৰ ১৩৬নং অনুচ্ছেদ অনুসৰি আপীলৰ ক্ষেত্ৰত এই ন্যায়ালয়ে কোনো এক গোচৰৰ তথ্য আৰু সাক্ষ্য পুনঃবিশ্লেষণ কৰি নিম্ন আদালত আৰু উচ্চ ন্যায়ালয়ে একেমতত উপনীত হোৱা সিদ্ধান্তসমূহৰ ওপৰত হস্তক্ষেপ কৰিব নিবিচাৰে। কিন্তু কোনো এক নিৰ্দিষ্ট গোচৰৰ ক্ষেত্ৰত এই ন্যায়ালয়ে যদি জানিব পাৰে যে উক্ত গোচৰত তথ্য আৰু সাক্ষ্য ক্ৰুটিপূৰ্ণভাৱে বিবেচনা আৰু মূল্যায়ন কৰা হৈছে, যাৰ ফলস্বৰূপে আইনৰ অভিপ্ৰেত উদ্দেশ্য সিদ্ধি ব্যৰ্থ হয়, তেন্তে এই ন্যায়ালয় সৰ্বশেষত যাতে ন্যায়ৰ জয় হয় তাক সুনিশ্চিত কৰিবলৈ বদ্ধপৰিকৰ। ফৌজদাৰী আইন ব্যৱস্থাৰ এটি প্ৰতিষ্ঠিত নীতি হ'ল– "অনেক অপৰাধীয়ে থালাচ পাওঁক, কিন্তু এজনো নিৰপৰাধীক শাস্তি বিহিব নোৱাৰিব"। (১৯৬০) ২ এছ.চি.আৰৰ ৪৬০ পৃষ্ঠাত প্ৰকাশিত হোৱা অনন্ত চিত্তৰঞ্জন লাগু বনাম মহাৰাষ্ট্ৰ গোচৰটিত এই ন্যায়ালয়ে এনেধৰণে মতপোষণ কৰিছিল-

> *"১৬. সাধাৰণতে, উচ্চ ন্যায়ালয়ে গোচৰৰ তথ্যৰ ওপৰত যিবোৰ সিদ্ধান্তত উপনীত হয়, সেইবোৰ এই ন্যায়ালয়ৰ বিচাৰ্য্যৰ বিষয় নহয়, বিশেষকৈ যিবোৰ গোচৰত নিম্ন আদালত আৰু উচ্চ ন্যায়ালয়ে একে মত পোষণ কৰে। কিন্তু আপীলকাৰীৰ বিৰুদ্ধে চলা এই গোচৰটি সম্পূৰ্ণভাৱে পৰিস্থিতি সাপেক্ষ সাক্ষ্যৰ ওপৰত প্ৰতিষ্ঠিত আৰু আপীলকাৰীয়ে বিষ খুউৱা বুলি কোনো প্ৰত্যক্ষ সাক্ষ্য নাই আৰু মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা ডাক্তৰ বা ৰাসায়নিক বিশ্লেষকেও কোনো বিষাক্ত দ্ৰব্যৰ উপস্থিতি ধৰা পেলাব পৰা নাই। গোচৰটোত গ্ৰহণ কৰা সাক্ষ্যবোৰ পৰ্য্যালোচনা কৰি অপৰাধ কৰাৰ ক্ষেত্ৰত যি অনুমান কৰা হৈছে আৰু এইক্ষেত্ৰত নিম্ন আদালত আৰু উচ্চ ন্যায়ালয়ে যিবোৰ সিদ্ধান্তত ঐক্যমতত উপনীত হৈছে*

পৰৱৰ্তী পৃষ্ঠাত

*আৰু যিহেতু গোচৰটি অসাধাৰণ প্ৰকৃতিৰ, সেয়েহে গোচৰটোৰ বিভিন্ন দৃষ্টিকোণৰ পৰা লোৱা প্ৰতিটো সিদ্ধান্ত সাক্ষ্যৰ দ্বাৰা প্ৰমাণিত হৈছে নে নাই আৰু এইবোৰ ন্যায়সংগত আৰু যথাযথ হয় নে নহয় সেই সম্পৰ্কে আমি নিজকে সন্দেহমুক্ত কৰিব বিচাৰিছোঁ। সাধাৰণতে, এই ন্যায়ালয়ৰ গোচৰৰ সাক্ষ্যসমূহৰ বিস্তৃত পৰ্য্যালোচনা কৰাৰ কোনো প্ৰয়োজন নাথাকে। কিন্তু, এই বিশেষ গোচৰটোত আমাৰ আগত প্ৰদৰ্শন কৰা যুক্তিসমূহ আৰু আচৰণবিধিৰ সাক্ষ্য, যিটো আপীলকাৰীয়ে ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত বুলি এৰাই চলিব বিচাৰি নিজকে নিৰ্দোষ বুলি ক'ব খোজে, তাৰ প্ৰতি লক্ষ্য ৰাখি আমি সেই নীতিৰ পৰা ফালৰি কাটি আহিব খুজিছোঁ। আমি চমুকৈ উল্লেখ কৰা এই যুক্তিসমূহে সামৰি লোৱা গোচৰটোৰ তথ্যগত আৰু চিকিৎসা সম্বন্ধীয় দৃষ্টিভংগীসমূহৰ আকৌ এবাৰ সূক্ষ্ম পৰ্য্যালোচনাৰ প্ৰয়োজন বুলি ভাবোঁ, যাতে আমি ক'ব পাৰোঁ প্ৰাপ্ত কোনবোৰ তথ্যৰ ওপৰত আমাৰ সিদ্ধান্ত প্ৰতিষ্ঠিত।"*

৮. এই গোচৰত পৰিস্থিতি সাপেক্ষ সাক্ষ্যৰ মূল উপাদানসমূহ নিদৰ্শনসমূহৰ দ্বাৰা প্ৰতিষ্ঠিত হৈছে আৰু আমি ইয়াক পুনৰ দোহৰাৰ প্ৰয়োজন বুলি বিবেচনা কৰা নাই আৰু অপ্ৰয়োজনীভাৱে ইয়াৰ ক্ৰম প্ৰমাণৰ বোজা ল'ব বিচৰা নাই। আমাৰ বাবে এইটোৱেই পৰ্য্যবেক্ষণৰ বাবে যথেষ্ট হ'ব যে পৰিস্থিতি সাপেক্ষ সাক্ষ্যৰ ওপৰত প্ৰতিষ্ঠিত গোচৰত গুচৰীয়া পক্ষই পৰিস্থিতিসমূহৰ শৃংখলাৰ সংযোগৰ ধাৰাবাহিকতা থকাটো প্ৰমাণ কৰাৰ প্ৰয়োজন, যিটোৱে কেৱল আৰু এক এৰাব নোৱৰা সিদ্ধান্তত উপনীত কৰায় যে আচামীজনেই আক্ৰমণকাৰী আৰু ই আচামীজন নিৰপৰাধ হোৱাৰ সংগত অন্য কোনো সম্ভাৱনীয়তাৰ স্ব-বিৰুদ্ধ বা অসংগত ধাৰণা সমূলি নুই কৰে। যদি পৰিস্থিতিসমূহৰ শৃংখলাৰ সংযোগসমূহেই অসম্পূৰ্ণ হয় আৰু যদি গুচৰীয়া পক্ষই গোচৰটি প্ৰথম দৰ্শনতে প্ৰতিষ্ঠা কৰিব নোৱাৰি অন্যধৰণে ঘটাৰ সম্ভাৱনীয়তাৰ অবকাশ ৰাখে, তেন্তে আচামীৰ ওপৰত নিজৰ নিৰ্দোষিতা প্ৰমাণৰ ভাৰ ন্যস্ত কৰা নহ'ব আৰু সন্দেহৰ যি থল থাকে তাৰ লাভালাভ আচামীয়ে পাব

৯. আমি আমাৰ আলোচনা আগলৈ আগবঢ়াই নিয়াৰ লগতে এইটো লক্ষ্য কৰা উচিত বুলি বিবেচনা কৰোঁ যে নিম্ন আদালত আৰু উচ্চ ন্যায়ালয়ত কিছুমান অস্বাভাৱিক অসুবিধাৰ বাবে আপীলকাৰীয়ে নিজৰ পছন্দৰ অধিবক্তা নিযুক্ত কৰি তাৰ লাভালাভ ল'ব নোৱাৰিলে। তেওঁক আইন সেৱা প্ৰাধিকাৰীয়ে আইন সাহায্য দিব লগা হৈছিল। এই বিষয়টোত আপীলকাৰীয়ে প্ৰতিৰক্ষাৰ বাবে কেনেধৰণৰ সা-সুবিধা লাভ কৰিছিল, তাৰ ওপৰত কোনো মন্তব্য দিয়া বা পৰ্য্যবেক্ষণ কৰাৰ বাবে নহয়, কেৱল তেওঁ নিজৰ নিৰ্দোষিতা প্ৰমাণৰ বাবে সন্মুখীন হোৱা অসুবিধা লক্ষ্য কৰাৰ বাবেহে।

১০. গুচৰীয়া পক্ষৰ ১নং সাক্ষীয়ে তেওঁৰ সাক্ষ্যত কৈছিল যে যোৱা ১০.০৫.২০১৩ তাৰিখে ৰাতি ১১:০০ মান বজাত মৃতকে তেওঁক কৈছিল যে তেওঁ পৰি মূৰত আঘাত পাইছিল। সাক্ষীজনে

পৰৱৰ্তী পৃষ্ঠাত

মৃতকক কোনো প্ৰাথমিক চিকিৎসা প্ৰদান কৰা নাছিল যদিও তেওঁ তেওঁৰ ভাতৃৰ (গুচৰীয়া পক্ষৰ ২ নং সাক্ষী ) সৈতে ৰাতি ১২ মান বজাত এম্বুলেঞ্চ মাতি অনাৰ চেষ্টা কৰিছিল। তদুপৰি, তেওঁ মৃতকৰ গাত অন্য কোনো জখম লক্ষ্য কৰা নাছিল। ইয়াৰ বিপৰীতে, আদালতৰ ১নং সাক্ষীয়ে সাক্ষ্যকালত কয় যে গুচৰীয়া পক্ষৰ ১ নং সাক্ষীয়ে মৃতকৰ জখমত 'ডেটল' লগাই দিছিল।

১১. গুচৰীয়া পক্ষৰ ১নং সাক্ষীৰ সাক্ষ্যৰ বিপৰীতে তেওঁৰ ভাতৃ গুচৰীয়া পক্ষৰ ২নং সাক্ষীয়ে সাক্ষ্য দান দি কয় যে নিশা প্ৰায় ২/৩ মান বজাত আপীলকাৰীয়ে তেওঁক টোপনিৰ পৰা জগাই কান্দি কান্দি কৈছিল যে তেওঁৰ স্বামীয়ে মূৰত আঘাত পাইছে। তাৰ পিছত মৃতকে এই সাক্ষীজনক এই বুলি কোৱা বুলি কোৱা হৈছিল যে তেওঁৰ আঘাত গুৰুতৰ নাছিল। গুচৰীয়া পক্ষৰ ৩নং সাক্ষীয়ে (গুচৰীয়া পক্ষৰ ১নং আৰু ২নং সাক্ষীৰ কনিষ্ঠ ভাতৃ) সাক্ষ্য দি কৈছিল যে নিশা ১২ মান বজাত গুচৰীয়া পক্ষৰ ২নং সাক্ষীয়ে তেওঁক মৃতকৰ জখম সম্পৰ্কে জনাইছিল আৰু তেওঁৰ এই সাক্ষ্যই গুচৰীয়া পক্ষৰ ১নং আৰু ২নং সাক্ষীৰ স্ববিৰুদ্ধ সাক্ষ্যক আৰু অধিক জটিল কৰি তুলিছে। এই তিনিজন সাক্ষীয়ে সাক্ষ্য দি কৈছিল যে মৃতক বৰ শকত-আৱত ব্যক্তি আছিল, যাৰ বাবে তেওঁলোকে মৃতকক মটৰ চাইকেলত উঠাই হাস্পতাললৈ নিব পৰা নাছিল। আনহাতে, মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন মতে মৃতক এজন মধ্যম গঠনৰ ব্যক্তি আছিল। যদি মৃতকে পৰি কেৱল মূৰত আঘাতপ্ৰাপ্ত হৈছিল আৰু সাক্ষীবোৰৰ সৈতে কথা ক'ব পৰা অৱস্থাত আছিল, তেন্তে তেওঁক কি কাৰণে মটৰ চাইকেলত উঠাই হাস্পতাললৈ নিব পৰা নাছিল আমি তাৰ কোনো কাৰণ দেখা পোৱা নাই। গুচৰীয়া পক্ষৰ ৩নং সাক্ষীয়ে কৈছিল যে মৃতকে কাপোৰ-কানি পিন্ধি আছিল, কিন্তু মৰণোত্তৰ প্ৰতিবেদনত দেখা যায় যে মৃতকক কেৱল অন্তৰ্বাস পিন্ধা অৱস্থাত অনা হৈছিল। মৃতকৰ পোছাক এখন বেগৰ ভিতৰত এটা নাদৰ কাষত পোৱা গৈছিল। গুচৰীয়া পক্ষৰ ৭নং সাক্ষীয়ে মৃতকৰ তেজৰ গ্ৰুপ ফৰেনচিক বিজ্ঞান আৰু পৰীক্ষাগাৰৰ জৰিয়তে পৰীক্ষা কৰাটো প্ৰয়োজনীয় বুলি বিবেচনা নকৰিলেও আমাৰ দৃষ্টিত এই গোচৰত সেইটো আছিল এটা ডাঙৰ বিসংগতি।

১২. মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনে এইটো স্পষ্ট কৰিছে যে যিখন সৰু ছুৰী উদ্ধাৰ কৰা বুলি কোৱা হৈছে সেইখনেৰে মৃতকৰ গাত থকা কটা জখমসমূহ কৰিব পৰা নগ'লহেঁতেন। সেই ছুৰীখনেৰে আঘাত কৰি 'টেম্প'ৰেল' হাড় ভগাটো অসম্ভৱ। গুচৰীয়া পক্ষৰ ৬নং সাক্ষীয়ে নিজৰ সাক্ষ্যত এইটো নুই কৰিছে যে মৃতকৰ গাৰ আঘাত বাগৰি পৰাৰ ফলত হ'ব পাৰে। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত মৃতকৰ দেহত মদ/ সুৰাৰ উপস্থিতি পোৱাৰ কোনো উল্লেখ নাই। এইজন সাক্ষীয়ে এইবুলিও মতামত দিছে যে ৪নং আঘাতটো মৃতকে নিজকে কোনো আক্ৰমণৰ পৰা বচাবলৈ চেষ্টা কৰাৰ ফলত হ'ব পাৰে। এইটো নিশ্চিত যে মৃতকৰ দেহৰ কেইবাটাও আঘাত এজন ব্যক্তিৰ দ্বাৰা কৰিব পৰাটো অসম্ভৱ আৰু এইটোৱেই সম্পূৰ্ণ বেলেগ এটা কাহিনীৰ উন্মেষ ঘটায় যে আক্ৰমণকাৰী এজনতকৈ অধিক হ'ব পাৰে। এই কটা জখমসমূহ দা-জাতীয় মজলীয়া আৰু গধুৰ অস্ত্ৰৰে কৰাহে সম্ভৱ। আমাৰ মতে, সাধাৰণ মানৱীয় বিচাৰ-বুদ্ধি তথা মানুহৰ আচৰণ আৰু সামৰ্থ্যৰ দিশৰ পৰাও এইটো সহজে মানি ল'ব নোৱাৰি যে যদি মৃতক এজন মধ্যম গঠনৰ ব্যক্তি

পৰৱৰ্তী পৃষ্ঠাত

আছিল, তেন্তে কিদৰে আপীলকাৰীয়ে, এগৰাকী মহিলা হৈও, কোনো ধৰণৰ বাধা আৰু আঘাত নোপোৱাকৈ এখন সৰু ছুৰীৰে তেওঁৰ মৃতক স্বামীৰ ওপৰত এনেধৰণৰ কেইবাটাও গুৰুতৰ ঘাপ শোধাব পাৰিছিল।

১৩. গুচৰীয়া পক্ষৰ ৭নং সাক্ষীয়ে 'ডেটল'ৰ গোন্ধ থকা এখন ছুৰী পোৱা বুলি দাবী কৰিছিল। আনকি যদিও তেজৰ চেকা গুচাবলৈ ছুৰীখন ধোৱা হৈছিল, ছুৰীখন ফৰেনচিক বিজ্ঞান আৰু পৰীক্ষাগাৰলৈ পঠোৱাহেঁতেন তাৰ নালৰ পৰা বহুখিনি তথ্য জানিব পৰা গ'লহেঁতেন। এই সাক্ষীজনে কিয় সেইটো কৰা নাছিল তাৰ কোনো ব্যাখ্যা আগবঢ়োৱা নাছিল। ডেটলৰ বটলো উদ্ধাৰ হোৱা নাছিল। মৃতকে মদ্যপান কৰি আপীলকাৰী আৰু নাবালক শিশুক প্ৰায়ে মাৰপিট কৰিছিল বুলি কোনো সাক্ষ্য পোৱা নাযায়। গুচৰীয়া পক্ষৰ ৭নং সাক্ষীয়ে আপীলকাৰীৰ চকুত চকুপানী লক্ষ্য নকৰাটো নিম্ন আদালত আৰু উচ্চ ন্যায়ালয়ে আপীলকাৰীৰ অস্বাভাৱিক ব্যৱহাৰ বুলি বিবেচনা কৰিলেও, সেয়া আপীলকাৰীয়ে অপৰাধ কৰা বুলি এক বিপৰীত ধাৰণা লোৱাৰ বাবে যথেষ্ট নহয়। আপীলকাৰীৰ স্বামীৰ মৃত্যুৰ অবিশ্বাস্য বাতৰিয়ে হয়তো তেওঁক শোকাভিভূত কৰি স্তব্ধ কৰি তুলিব পাৰে। এইটো একো অস্বাভাৱিক মানৱীয় আচৰণ নহয় যে এজন মানুহে তেওঁৰ নিকট আত্মীয়ৰ মৃত্যুত বা কোনো ঘাতক আক্ৰমণ দৃষ্টিগোচৰ হোৱাত কোনো প্ৰতিক্ৰিয়া বা সংবেদনশীলতা প্ৰদৰ্শন নকৰি একেবাৰে মৌন আৰু হতভম্ব হৈ পৰে। আদালতৰ ১নং সাক্ষী (চি ডব্লিউ-১) নাবালিকা হোৱা বাবে আমি তেওঁৰ সাক্ষ্য বিশ্বাস আৰু ভৰসা কৰিবলৈ টান পাইছোঁ। যদি সেই নিশা উক্ত কোঠাত আপীলকাৰীয়ে মৃতকক মাৰপিট কৰিলেহেঁতেন, তেন্তে তাত নিশ্চয় হুলস্থূলৰ সৃষ্টি হ'লহেঁতেন আৰু সাক্ষীসকলে সাৰ নোপোৱাকৈ শুই থাকিব পৰাটো সম্ভৱ নহ'লহেঁতেন।

১৪. গুচৰীয়া পক্ষৰ ১নং সাক্ষীয়ে সাক্ষ্যত কৈছিল যে তেওঁ ঘটনাৰ পিছদিনা ৰাতিপুৱা ৮.০০ মান বজাত পুলিচক জনাইছিল। কিন্তু গুচৰীয়া পক্ষৰ ৭নং সাক্ষীয়ে সাক্ষ্যত কৈছিল যে ১নং সাক্ষীয়ে ১১.০৫.২০১৩ তাৰিখে দিনৰ ১২ মান বজাতহে ঘটনা সম্পৰ্কে থানাত জনাইছিল আৰু এই সম্পৰ্কে থানাৰ সাধাৰণ পঞ্জীত দিনৰ ১২-২০ বজাত দৰজ নং ৪৫২ লিপিবদ্ধ কৰা হৈছিল আৰু সন্ধিয়া ৭-৪৫ বজাত এজাহাৰ প্ৰাপ্তিত গোচৰ ৰুজু কৰা হৈছিল। এই পৰিস্থিতিসমূহে (আমাৰ মনত) সন্দেহৰ উদ্ৰেক কৰে যে গুচৰীয়াই চিন্তা-চৰ্চা কৰি কেনেধৰণৰ অভিযোগ আনি ঘটনাটো প্ৰকৃততে ঘটা ধৰণে উল্লেখ নকৰি অন্যধৰণে বৰ্ণনা কৰিব পৰা যায় তাৰ পৰিকল্পনা কৰাৰ বাবে যথেষ্ট সময় পাইছিল।

১৫. সাক্ষীবাদীৰ প্ৰকৃতি আৰু ইয়াৰ মূল্যায়নৰ ধৰণৰ ক্ষেত্ৰত আমাৰ উপৰোল্লিখিত আলোচনাৰ পটভূমিত আপীলকাৰীয়ে ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ৩১৩ৰ ব্যৱস্থা অনুসৰি যি প্ৰতিৰক্ষাৰ বক্তব্য দিছে, তাৰ ইংৰাজী অনুবাদ গোচৰটোৰ নথি-পুস্তিকা (পেপাৰ বুক)ৰ পৰা উদ্ধৃত কৰাটো আমি উপযুক্ত হ'ব বুলি বিবেচনা কৰিছো আৰু সেইটো হ'লঃ-

পৰৱৰ্তী পৃষ্ঠাত

"উত্তৰঃ- ঘটনাৰ দিনা অনুমান ৮/৮.৩০ বজাত মই মোৰ কৰ্মস্থলী সাতগাঁৱৰ পৰা ঘৰলৈ ঘূৰি আহি দেখোঁ যে মোৰ স্বামীয়ে গাত ৰক্তাক্ত জখম লৈ কোঠাৰ ভিতৰত পৰি আছে। মই চিঞৰ-বাখৰ কৰাত মনোজ ডেকা আৰু তেওঁৰ ভাইসকল তালৈ আহে আৰু এজন ভায়েকৰ হাতত সুৰা আছিল। তাৰপিছত মই দেখোঁ যে মনোজ ডেকাই মোৰ স্বামীৰ জখমৰ ওপৰত ডেটল লগাইছে। মই ১০৮ এম্বুলেঞ্চ সেৱালৈ ফোন কৰিছিলোঁ। মই যেতিয়া পুলিচক ফোন কৰিব বিচাৰিছিলোঁ, মনোজে মোৰ হাতৰ পৰা ফোনটো কাঢ়ি নিছিল। মোৰ চিঞৰ-বাখৰ শুনি ওচৰ-চুবুৰীয়া তালৈ আহিছিল। মই মোৰ স্বামীক হাস্পতাললৈ নিব বিচাৰিছিলোঁ যদিও মনোজ ডেকা আৰু আন মানুহে বাধা দিয়াৰ বাবে নিব নোৱাৰিলোঁ। সেই নিশা ৯-৩০ মান বজাত (মোৰ স্বামীৰ) মৃত্যু হৈছিল আৰু সেই সময়ত মনোজ ডেকা আৰু অন্যান্য চুবুৰীয়া তাত বহি আছিল। পৰৱৰ্তী সময়ত মনোজ ডেকাই মোক মিছাকৈ এই গোচৰত জড়িত কৰিছিল। মই এইটো সন্দেহ কৰোঁ যে মিণ্টু নাথ, দীপক দাস আৰু জিতু ডেকাই মোৰ স্বামীক অইন ক'ৰবাত মদ খাই থাকোতে মাৰপিট কৰিছিল আৰু জখমী অৱস্থাত ঘৰলৈ আনি কোঠাৰ ভিতৰত শুৱাই থৈছিল। মই ঘৰলৈ আহি মোৰ কোঠাৰ তলা ভঙা অৱস্থাত পাইছিলোঁ। মই মোৰ স্বামীক হত্যা কৰা নাই। মই নিৰ্দোষী।"

গুচৰীয়া পক্ষৰ ২নং সাক্ষীয়ে এইটো তেওঁৰ সাক্ষ্যত স্বীকাৰ কৰিছে যে তেওঁ মৃতকৰ লগত মদ খালেহেঁতেন। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন মতে মৃতকৰ পাকস্থলী খালী পোৱা গৈছিল যিটোৱে মৃতকৰ ওপৰত হোৱা আক্ৰমণ সন্ধিয়াৰ আগতে হোৱাৰ ইংগিত দিয়াৰ লগতে গুচৰীয়া পক্ষৰ ১,২ আৰু ৩নং সাক্ষীৰ সাক্ষ্য যে মৃতকৰ ওপৰত হোৱা আক্ৰমণ শেষ নিশা হৈছিল, তাৰ বিপৰীত অৰ্থ সূচায় কাৰণ তেনেকুৱা হোৱা হ'লে মৃতকে নিঃসন্দেহে নিশাৰ আহাৰ গ্ৰহণ কৰিলেহেঁতেন।

১৬. 'অইন পক্ষকো শুনিব লাগে'- এই নীতিৰ অংশস্বৰূপে ফৌজদাৰী কাৰ্য্যবিধিৰ ৩১৩ ধাৰাক সাধাৰণভাৱে লোৱাটো উচিত নহয়। এই ধাৰাই নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰাৰ বাবে এজন অপৰাধীক অতি দৰকাৰী অধিকাৰ প্ৰদান কৰিছে আৰু ফৌজদাৰী কাৰ্য্যবিধিৰ ৩১৩(২) ধাৰা অনুসৰি শপতযোগে লোৱা নহয় বাবে যদিও ইয়াক প্ৰকৃত সাক্ষ্য বুলি বিবেচনা কৰা নহয়, ভাৰতীয় সংবিধানৰ ২১নং অনুচ্ছেদ অনুসৰি নিৰপেক্ষ বিচাৰ ব্যৱস্থাত এই অধিকাৰক সাংবিধানিক অধিকাৰ হিচাপে গণ্য কৰিব পাৰি আৰু ই বিধিগত অধিকাৰৰ উৰ্দ্ধত। এই অধিকাৰৰ প্ৰয়োজনীয়তা এই ন্যায়ালয়ে বাৰম্বাৰ বিবেচনা কৰি আহিছে, কিন্তু ইয়াৰ ব্যৱহাৰিক প্ৰয়োগ হ'বলৈ যে এতিয়াও বাকী আছে, সেইটো আমি তলৰ আলোচনাত দেখা পাম। গুচৰীয়া পক্ষৰ সাক্ষীবাদীৰ শেষত, যদি আচামীয়ে ফৌজদাৰী কাৰ্য্যবিধিৰ ৩১৩(১)(খ) ধাৰা মতে আত্মপক্ষ সমৰ্থনৰ বাবে বক্তব্য আগবঢ়ায়, তেন্তে সেই কাৰ্যবিধিৰ ৩১৩(৪) ধাৰা অনুসৰি আদালতে সেই বক্তব্য বিবেচনা কৰিবলৈ বাধ্য। কেৱল মাত্ৰ 'may' শব্দৰ উল্লেখ থকাৰ বাবেই এইটো গ্ৰহণযোগ্য নহয় যে এইধৰণে

পৰৱৰ্তী পৃষ্ঠাত

লোৱা প্ৰতিৰক্ষা বিবেচনা কৰা বা নকৰাৰ বাবে আদালতক কোনো বাধাহীন ক্ষমতা অৰ্পণ কৰিছে, যিহেতু ন্যায় প্ৰাপ্তিৰ বাবে ইয়ে আচামীজনক এক দৰকাৰী অধিকাৰ প্ৰদান কৰে আৰু ইয়াৰ দ্বাৰা আচামীজনৰ ক্ষতি হোৱাৰ সম্ভাৱনীয়তা থাকি যায়। এইধৰণৰ প্ৰতিৰক্ষা গ্ৰহণযোগ্য হয় নে নহয় বা গোচৰৰ সাক্ষীবাদীৰ লগত ই সংগত নে অসংগত হয়- সেইটো এটা সম্পূৰ্ণ বেলেগ বিষয়। ফৌজদাৰী কাৰ্য্যবিধিৰ ৩১৩ ধাৰা অনুসৰি লোৱা প্ৰতিৰক্ষাক যদি সমূলি বিবেচনা কৰা নাযায়, তেন্তে গোচৰৰ তথ্যসমূহৰ ওপৰত ভিত্তি কৰি কৰা দোষী সাব্যস্তকৰণ আঁসোৱাহপূৰ্ণ হ'ব। আমাৰ মতে, ন্যায় প্ৰদানৰ ক্ষেত্ৰত আদালতৰ ওপৰত এক বিধিসন্মত দায়িত্ব অৰ্পণ কৰা হৈছে যে আচামী এজনে ফৌজদাৰী কাৰ্য্যবিধিৰ ৩১৩ ধাৰা মতে যি প্ৰতিৰক্ষা গ্ৰহণ কৰে, তাক আদালতে গুৰুত্বসহকাৰে বিবেচনা কৰিব আৰু তাক গ্ৰহণ কৰা বা নকৰাৰ উপযুক্ত কাৰণ লিপিবদ্ধ কৰিব।

১৭. দুৰ্ভাগ্যক্ৰমে, নিম্ন আদালত বা উচ্চ ন্যায়ালয়ে এইটো বিবেচনা কৰা নাছিল যে ফৌজদাৰী কাৰ্য্যবিধিৰ ৩১৩ ধাৰা মতে, আপীলকাৰীয়ে লোৱা উপৰোক্ত প্ৰতিৰক্ষা গ্ৰহণ বা প্ৰত্যাখ্যান কৰাৰ ক্ষেত্ৰত ইয়াৰ ন্যূনতম আলোচনা বা মূল্যায়ন কৰাৰ প্ৰয়োজন। ওপৰত উল্লিখিত আলোচনা মৰ্মে গোচৰৰ সকলো তথ্য আৰু সাক্ষীবাদীৰ ধৰণৰ সমষ্টিত আপীলকাৰীয়ে লোৱা প্ৰতিৰক্ষাক অপ্ৰাসংগিক, অযৌক্তিক বা কল্পনাপ্ৰসূত বুলি ক'ব নোৱাৰি। এই কথা একেবাৰে বিবেচনা নকৰাটোৱে আপীলকাৰীক স্পষ্টভাৱে ক্ষতি কৰিছে। গুচৰীয়া পক্ষৰ দৰে আচামীয়ে নিজৰ প্ৰতিৰক্ষা সকলো যুক্তিসংগত সন্দেহৰ উৰ্দ্ধত বুলি প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজন নাই। আচামীয়ে কেৱল অধিকতম সন্দেহৰ সম্ভাৱনীয়তাৰ উদ্ৰেক কৰিব পাৰিলেই যথেষ্ট, যিটো AIR 1953 SC 468 যোগে প্ৰকাশ পোৱা হেট সিংহ ভগত সিংহ বনাম মধ্যপ্ৰদেশ চৰকাৰ গোচৰটিৰ ৰায়ত পৰ্য্যালোচনা কৰিছে এনেদৰেঃ-

> "২৬. আমি এই গোচৰৰ সাক্ষীবাদী বিতংভাৱে অধ্যয়ন কৰিছো। এইক্ষেত্ৰত, কোনো আপীলৰ সাক্ষীবাদী পুনঃমূল্যায়ন কৰাৰ পৰা বিৰত থকাৰ আমাৰ যি সচৰাচৰ পৰম্পৰা, তাৰ পৰা আঁতৰি অহাৰ আমাৰ ইচ্ছাৰ উপৰিও ইয়াত প্ৰচলিত নীতিৰ পৰা ফালৰি কাটি অহা হৈছে, কাৰণ যেতিয়া আচামীয়ে এক যুক্তিসংগত প্ৰতিৰক্ষা আগবঢ়াব, যিটো সঁচা হোৱাৰ সম্ভাৱনা প্ৰবল, তেনেক্ষেত্ৰত গুচৰীয়া পক্ষৰ ওপৰত গোচৰ প্ৰমাণ কৰাৰ দায়িত্ব অধিক হয়, কিয়নো এক সবলভাৱে যুক্তিপূৰ্ণ আৰু সম্ভাব্য প্ৰতিৰক্ষাক প্ৰতিহত কৰিবলৈ গুচৰীয়া পক্ষৰ স্থিতি যদি দুৰ্বল আৰু অসামঞ্জস্যপূৰ্ণ হয়, তেন্তে সি সন্দেহৰ উদ্ৰেক ঘটায় আৰু আচামীয়েই সেই সন্দেহৰ লাভালাভৰ দাবীদাৰ হয়।"

(2001)10 SCC 103 যোগে প্ৰকাশিত এম. আববাছ -বনাম- কেৰালা চৰকাৰ গোচৰৰ ৰায়টোত একেধৰণৰ মত পোষণ কৰা হৈছে, যিটো তলত দিয়া হ'লঃ-

পৰৱৰ্তী পৃষ্ঠাত

"১০. ......আনহাতে, আপীলকাৰীয়ে গুচৰীয়া পক্ষৰ সাক্ষীসমূহক জেৰা কৰোতে আৰু ফৌজদাৰী কাৰ্য্যবিধিৰ ৩১৩ ধাৰা মতে নিজৰ বক্তব্য দিয়াৰ সময়ত যি ব্যাখ্যা আগবঢ়াইছে, সেয়া সম্পূৰ্ণ বিশ্বাসযোগ্য। এইটো ভালদৰে প্ৰতিষ্ঠিত যে যেতিয়া এজন আচামীয়ে নিজৰ নিৰ্দোষিতা প্ৰমাণৰ বাবে লোৱা প্ৰতিৰক্ষাৰ স্থিতিৰ সুন্দৰ ব্যাখ্যা আগবঢ়ায়, তেতিয়া তেওঁ তেওঁৰ প্ৰতিৰক্ষা যুক্তিপূৰ্ণ, সন্দেহৰ উৰ্দ্ধত বুলি প্ৰমাণ কৰাৰ কোনো প্ৰয়োজন নাই। তেওঁ কেৱল অধিকতম সম্ভাৱনীয়তাৰ সৃষ্টি কৰিব পৰাটোৱেই যথেষ্ট......।"

১৮. গোচৰৰ তথ্য আৰু পৰিস্থিতিসমূহ, সাক্ষীবাদীৰ ধৰণ আৰু ইয়াক কিদৰে বিবেচনা কৰা হৈছে, তাৰ ওপৰত আমাৰ এই সমস্ত আলোচনাৰ পৰা আমি সন্তুষ্ট যে পৰিস্থিতি সাপেক্ষ সাক্ষ্যৰ ওপৰত প্ৰতিষ্ঠিত গোচৰত পৰিস্থিতিসমূহৰ শৃংখলাৰ সংযোগ থকাটো প্ৰমাণিত হোৱা বুলি ক'ব নোৱাৰি, যিটোৱে একমাত্ৰ আৰু এক এৰাব নোৱৰা সিদ্ধান্তত উপনীত কৰাব পাৰে যে আচামীজনেই মৃতকৰ হত্যাকাৰী, ইয়াৰ বাহিৰে আচামীজন নিৰপৰাধী হোৱাৰ সম্ভাৱনীয়তা থকা অন্য কোনো অসংগত ধাৰণা সমূলি নুই কৰে। ঘটনাটো যে অন্য ধৰণেও ঘটিব পাৰে তাৰ সম্ভাৱনীয়তা থকাটো একেবাৰে নুই কৰিব নোৱাৰি। গতিকে আপীলকাৰীয়ে এই গোচৰত সন্দেহৰ পৰা পাব লগা যি লাভালাভ, তাৰ ওপৰত ভিত্তি কৰি তেওঁ খালাচ পোৱাৰ যোগ্য। সেয়েহে, আমি আপীলকাৰীক দোষমুক্ত কৰি অতি শীঘ্ৰে মুক্তি দিয়াৰ বাবে নিৰ্দেশ দিলোঁ, যদিহে তেওঁক আন কোনো গোচৰত বিচৰা হোৱা নাই।

১৯. আপীল গ্ৰাহ্য কৰা হ'ল।

আৰ. এফ. নাৰিমন, ন্যায়াধীশ
নবীন সিন্হা, ন্যায়াধীশ

নতুন দিল্লী
৩১ অক্টোবৰ, ২০১৯


DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্যক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ সম্পাদনা আৰু কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।)